NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-03-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰন্দ্ৰ মোদীয়ে কৈছে যে, প্ৰধানমন্ত্ৰী স্বনিধি আঁচনি পদপথ ব্যৱসায়ীসকলৰ বাবে জীৱনৰেখাৰূপে পৰিগণিত হৈছে।

২। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰমলা সীতাৰমনে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব দি আহিছে আৰু বিগত ১০ বছৰত অঞ্চলটোৰে ভালেমান উল্লেখনীয় সাফল্য অৰ্জন কৰিছে।

৩। ভূটানৰ প্ৰধানমন্ত্ৰী দাশ্ব' শ্বেৰিং টোব্‌গেই পাঁচ দিনীয়া ভাৰত ভ্ৰমণ সূচীৰে নতুন দিল্লীত উপস্থিত হৈছে।

৪। ফেব্ৰুৱাৰীত দেশৰ পাইকাৰী মূদ্ৰাস্ফিতি যোৱা চাৰি মাহৰ ভিতৰত দশমিক ২-০ শতাংশৰ নিম্নতম পৰ্যায়লৈ অবনমিত হৈছে।

*আৰু*

৫। মুম্বায়ে বিদৰ্ভক ১৬৯ ৰানত পৰাস্ত কৰি ৰণজি ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰন্দ্ৰ মোদীয়ে কৈছে যে, প্ৰধানমন্ত্ৰী স্বনিধি আঁচনি পদপথ ব্যৱসায়ীসকলৰ বাবে জীৱনৰেখাৰূপে পৰিগণিত হৈছে। দিল্লীত  আজি প্ৰধানমন্ত্ৰী স্বানিধি আঁচনিৰ হিতাধিকাৰীসকলক সম্বোধন কৰি এইদৰে প্ৰকাশ কৰে। অনুষ্ঠানত শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰী স্বনিধি আঁচনিৰ অধীনত এক লাখ পদপথৰ ব্যৱসায়ীৰ মাজত ঋণ বিতৰণ কৰে। তেওঁ কয় যে, স্বনিধি মহোৎসৱ সদায় জনসাধাৰণৰ চৌপাশে থকা আৰু যিসকল লোকৰ অবিহনে জনসাধাৰণে নিজৰ জীৱনৰ কথা কল্পনা কৰিব নোৱাৰে সেইসকলৰ নামত উৎসৰ্গিত। তেওঁ লগতে সমাজলৈ আগবঢ়োৱা অৱদানৰ বাবে পদপথৰ ব্যৱসায়ীসকলক অভিনন্দন জনায়।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথমবাৰৰ বাবে ভোটাধিকাৰ লাভ কৰা সমগ্ৰ দেশৰ ভোটদাতাসকলক উৎসাহ প্ৰদৰ্শন কৰা এটা ভিডিঅ' অনুৰাগীসকলৰ সৈতে ভগাই লৈছে। সামাজিক মাধ্যম এক্স যোগে শ্ৰী মোদীয়ে কৈছে যে, সমগ্ৰ দেশৰ যুৱ ভোটদাতাসকলে **মোৰ প্ৰথম ভোট দেশৰ বাবে** বুলি ক'বলৈ লৈছে।

০০০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰমলা সীতাৰমনে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব দি আহিছে আৰু বিগত ১০ বছৰত অঞ্চলটোৰে ভালেমান উল্লেখনীয় সাফল্য অৰ্জন কৰিছে। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীত আয়োজিত বিকশিত ভাৰত এম্বেছাদৰ কেম্পাছ ডায়ল'গ শীৰ্ষক অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নত অগ্ৰাধিকাৰ

প্ৰদান কৰিছে আৰু কেন্দ্ৰীয় মন্ত্ৰীসকলে বিগত ১০ বছৰত ৮৫০ বাৰকৈ অঞ্চলটোত ভ্ৰমণ কৰিছে। শ্ৰীমতী সীতামৰণে কয় যে, উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ অপাৰ সম্ভাৱনা আছে আৰু অঞ্চলটোৰ যুৱক-যুৱতীসকল অতিকৈ উৎসাহী আৰু উদ্দমী। প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক দেশৰ বিকাশৰ চালিকাশক্তি বুলি গণ্য কৰে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, চৰকাৰে কেন্দ্ৰই গ্ৰহণ কৰা সকলো উদ্যমৰ পৰা যাতে অঞ্চলটো উপকৃত হয় সেয়া সুনিশ্চিত কৰি আহিছে।

০০০০০০০০

পথ, পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কৰ্ণাটকত এহেজাৰ ৩৮৫ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ২৯৫টা পথ উন্নয়ন প্ৰকল্পত অনুমোদন জনাইছে। মন্ত্ৰীগৰাকীয়ে কৈছে যে, আন্তঃগাঁথনি উন্নয়নৰ লগতে যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰা আৰু আৰ্থসামাজি উন্নয়ন ত্বৰান্বিত কৰাই এই প্ৰয়াসৰ মূল উদ্দেশ্য।

শ্ৰী গাডকাৰীয়ে লগতে তেলেংগানাত ৪৩৫ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ ৩১টা ৰাজ্যিক পথ প্ৰকল্পৰ বাবে ৮৫০ কোটি টকাত অনুমোদন দিছে। তেওঁ কয় যে, এই উদ্যমে অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব, স্থানীয় পৰ্যটনৰ প্ৰসাৰ সাধন কৰিব আৰু আঞ্চলিক অৰ্থব্যৱস্থাৰ শ্ৰীবৃদ্ধি সুনিশ্চিত কৰিব। পথ, পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী গাডকাৰীয়ে ৰাজস্থানৰ বিভিন্ন পথৰ সম্প্ৰসাৰণৰ বাবে ৯৭২ কোটিৰো অধিক টকাৰ অনুমোদন জনাইছে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, ৩১টা গুৰুত্বপূৰ্ণ জিলা পথ আৰু ৰাজ্যিক ঘাইপথৰ সম্প্ৰসাৰণ তথা উন্নয়নৰ বাবে এই ধনৰাশিত অনুমোদন দিয়া হৈছে।

০০০০০০০০

ভূটানৰ প্ৰধানমন্ত্ৰী দাশ্ব' শ্বেৰিং টোব্গেই পাঁচ দিনীয়া ভাৰত ভ্ৰমণ সূচীৰে আজি নতুন দিল্লীত উপস্থিত হয়। শ্ৰী টোব্গেই যোৱা জানুৱাৰীত প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া তেওঁৰ প্ৰথমটো বিদেশ ভ্ৰমণ। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী কুমাৰ চৌবেই দিল্লী বিমান বন্দৰত অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীক আদৰণি জনায়। এই ভ্ৰমণকালত ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰী শ্বেৰিং মুম্বাইলৈও যাব। অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে দেশখনৰ বিদেশ আৰু বাহ্যিক বাণিজ্য, শক্তি আৰু প্ৰাকৃতিক সম্পদ, উদ্যোগ, বাণিজ্য আৰু নিয়োগ মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াৰ এটা প্ৰতিনিধি দলো ভাৰতলৈ আহিছে। বিদেশ মন্ত্ৰালয়ে কৈছে যে, ভাৰত আৰু ভূটানৰ মাজত পাৰস্পৰিক আস্থা, সদিচ্ছা আৰু বুজাবুজিৰ আধাৰত সকলো পৰ্যায়ত বন্ধুত্ব আৰু সহযোগিতাৰ সম্পৰ্ক আছে। ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ ভ্ৰমণে দুয়ো পক্ষক এই অনন্য সহযোগিতাৰ প্ৰগতিৰ পৰ্যালোচনা আৰু দুয়ো দেশৰ মাজত বন্ধুত্বপূৰ্ণ আৰু সহযোগিতা বৃদ্ধিৰ উপায় সম্পৰ্কে আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আসন্ন লোকসভা নিৰ্বাচনত এন ডি এৰ প্ৰাৰ্থী হিচাপে অৱতীৰ্ণ হ'বলগীয়া অনিল এণ্টনিৰ প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কেৰেলাৰ পাথানমথিট্টা জিলালৈ যাব। প্ৰধানমন্ত্ৰীয়ে ভ্ৰমণকালত পাথানমথিট্টাৰ জিলা ষ্টেডিয়ামত এখন ৰাজহুৱা সভাতো ভাগ ল'ব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত জিলাখনত কটকটীয়া সুৰক্ষা ব্যৱস্থা কৰা হৈছে।

০০০০০০০০

ফেব্ৰুৱাৰীত দেশৰ পাইকাৰী মুদ্ৰাস্ফিতি যোৱা চাৰি মাহৰ ভিতৰত দশমিক ২-০ শতাংশৰ নিম্নতম পৰ্যায়লৈ অবনমিত হৈছে। জানুৱাৰীত পাইকাৰী মুদ্ৰাস্ফিতি দশমিক ২-৭ শতাংশ আছিল।

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে প্ৰকাশ কৰা প্ৰাৰম্ভিক তথ্য অনুসৰি ফেব্ৰুৱাৰীত খাদ্য মুদ্ৰাস্ফিতি ৬ দশমিক ৯-৫ শতাংশলৈ বৃদ্ধি পাইছে। জানুৱাৰীত এই মুদ্ৰাস্ফিতিৰ হাৰ ৬ দশমিক ৮-৫ শতাংশ আছিল। ফেব্ৰুৱাৰীত শাক-পাচলিৰ মুদ্ৰাস্ফিতি ১৯ দশমিক ৭-৮ শতাংশ আৰু দাইলৰ পাইকাৰী মুদ্ৰাস্ফিতি ১৮ দশমিক ৪-৮ শতাংশ আছিল।

oooooooo

ভাৰত লিংগ অসমতা সূচ্যাংক ২০২২ত ১৪টা স্থান ওপৰলৈ উঠিছে। ৰাষ্ট্ৰসংঘৰ বিকাশ কাৰ্যসূচী ইউ এন ডি পি এ জাৰি কৰা  ২০২৩-২৪ বৰ্ষৰ মানৱ উন্নয়ন প্ৰতিবেদন অনুসৰি লিংগ অসমতা সূচ্যাংক জি আই আই ২০২২ত অন্তৰ্ভুক্ত ১৯৩ খন দেশৰ ভিতৰত ভাৰত ১০৮ নম্বৰ স্থানত আছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰানয়ে কৈছে যে,  বিগত ১০ বছৰ ধৰি এই সূচ্যাংকত দেশৰ স্থান উন্নত হৈ আছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে দীৰ্ঘকালীন আৰ্থসামাজিক আৰু ৰাজনৈতিক উন্নয়নৰ লক্ষ্যৰে নীতিগত ব্যৱস্থাৰ জৰিয়তে মহিলাৰ সৱলীকৰণ সুনিশ্চিত কৰাৰ বাবে চৰকাৰে নিৰ্ধাৰণ কৰা নিৰ্ণায়ক কাৰ্যসূচীৰ বাবে এয়া সম্ভৱ হৈ উঠিছে।

oooooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয়  অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

oooooooo

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি কয় যে, আই এন ডি এ মিত্ৰতাই কৃষকৰ কণ্ঠস্বৰ হ'ব আৰু তেওঁলোকৰ স্বাৰ্থৰক্ষাৰ বাবে কাম কৰিব। কংগ্ৰেছৰ **ভাৰত জড়ো ন্যায় যাত্ৰা**ৰ অংশ হিচাপে মহাৰাষ্ট্ৰৰ নাচিক জিলাত এখন কৃষক সমাবেশত ভাষণ দি শ্ৰী গান্ধীয়ে ঋণ ৰেহাই, শস্য বীমা আঁচনিৰ পুনৰগঠন, অনুকূল ৰপ্তানি অমদানি নীতি আৰু কৃষিক জি এছ টিৰ পৰা ৰেহাই দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। এই সমাৰেশত এন চি পিৰ মুৰববী শৰদ পাৱাৰ আৰু শিৱসেনাৰ সাংসদ সঞ্জয় ৰাৱাত উপস্থিত থাকে।

oooooooo

মুম্বায়ে বিদৰ্ভক ১৬৯ ৰানত পৰাস্ত কৰি ৰণজি ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। বিদৰ্ভই ৫৩৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৩৬৮ ৰানত দ্বিতীয় ইনিংছ সামৰে। মুম্বাইৰ জয়ত স্পীনাৰসকলে গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়ায়। দ্বিতীয় ইনিংছত আকৰ্ষণীয় শতক অৰ্জন কৰা মুছিৰ খানক প্লেয়াৰ অব দ্যা মেচ

হিচাপে ঘোষণা কৰে। আনহাতে স্পীনাৰ তনুষ কোটিয়ানক বলে-বেটে আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে প্লেয়াৰ অব দ্যা ছিৰিজ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০০০

ভাৰতৰ আগশাৰীৰ বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু অল ইংলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। খেলুৱৈগৰাকী আজি মহিলাৰ ছিংগলছৰ প্ৰী-কোৱাৰ্টাৰ ফাইনেলত দক্ষিণ কোৰিয়াৰ আন ছে য়ঙৰ হাতত ২১-১৯, ২১-১১ গেমত পৰাজিত হয়।

ইপিনে মহিলাৰ ডাবলছৰ প্ৰী-কোৱাৰ্টাৰ ফাইনেলত অশ্বিনী পোনাপ্পা আৰু তানিশা ক্ৰাষ্টোৰ যুটীটো কিছু সময় পাছত চীনৰ ঝেং ইউ আৰু ঝাং শুছিয়াঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

একেদৰে লক্ষ্য সেন পুৰুষ ছিংগলছৰ প্ৰী-কোৱাৰ্টাৰ ফাইনেলত আজি এণ্ডাৰ্ছ এণ্টʼছেনৰ সন্মুখীন হ'ব। ভাৰতৰ আন দুগৰাকী খেলুৱৈ ছিৰাগ ছেট্টী আৰু সাত্বিকছাইৰাজ ৰনকীৰেড্ডীৰ যুটীটো পুৰুষৰ ডাবলছৰ প্ৰী-কোৱাৰ্টাৰ ফাইনেলত ইন্দোনেছিয়াৰ বি মৌলানা আৰু এম এছ্ ফিক্ৰীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

সমাপ্ত